# শাস্তিৰ পৰা বিশ্বাসী নোহক ঈশ্বৰে ৰক্ষা কৰিলে

## ল’ৰা-ছোৱালীৰ বয়স আৰু প্ৰয়োজনত খাপ খুউৱা শিক্ষাৰ কামবোৰ বাচি লওক।

শিক্ষক, প্ৰাৰ্থনা আৰু বাইবেল পঢ়াৰ দ্বাৰাই নিজকে যুগুত কৰক। আদিপুস্তক ৬, ৭, ৮ অধ্যায় পঢ়ক, আপুনি ভবা জলপ্লাৱনৰ গুৰুত্বপূৰ্ণ বিষয়বোৰৰ টোকা লিখক।



**চাওঁক...**

- নোহ কেনে ধৰণৰ লোক আছিল, ৬ঃ৫-৯।
- তেওঁ সৃষ্টি কৰা মানৱ জাতিক জলপ্লাবনেৰে ঈশ্বৰে কিয় ধ্বংস কৰিলে, ৬ঃ৫-৭।
- জাহাজ বোলা, এখন ডাঙৰ নাওঁ সাজিবলৈ কেনেকৈ নোহে ঈশ্বৰৰ আজ্ঞাত সহাঁৰি দিলে, ৬ঃ১৩-২২।
- নোহৰ পৰিয়ালৰ উপৰিও ঈশ্বৰে জাহাজলৈ কি কি আনিলে, ৭ঃ৮-৯।
- জলপ্লাবনৰ পিছত, নোহে কৰা কামত ঈশ্বৰ সন্তোষ্ট হ’ল,৮ঃ১৪-২২।

নোহ আৰু জলপ্লাৱনৰ কাহিনীটো কওঁক। ইয়াৰ বাবে আপুনি এগৰাকী ডাঙৰ ল’ৰা / ছোৱালীক প্ৰস্তুত কৰিব পাৰে।

জাহাজত নোহে যোৰকৈ যোৰ দিয়া জীৱ-জন্তু বিৱৰণৰ নাট কৰিব পাৰে। বয়সীয়া সকলৰ আগত নাটখন পৰিবেশন কৰিবলৈ উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক। ডাঙৰ ল’ৰা-ছোৱালীয়ে সৰুবোৰক যুগুত কৰাত সহায় কৰক।

- জাহাজত সোমোৱা কিছুমান জন্তুৰ নাম ছোৱালীক উল্লেখ কৰিবলৈ দিয়ক। (গৰু, ভেড়াঁ, বান্দৰ, বাঘ, কুকুৰ, মেকুৰী, গাধ, শহাপহু ইত্যাদি।)
- কোন জন্তুৰ ভাও সিঁহতে লব, এজোৰা এজোৰা লৰা ছোৱালী লওক।
- সিঁহতৰ খোজ কাটল আৰু শব্দৰ দ্বাৰাই সিঁহতনো কি জন্তু আন ল’ৰা ছোৱালীক কবলৈ দিয়ক। গাধই বেবায়, সিংহই গোজৰে, বাঘে গোজৰে ভেড়াঁই বেবায়, (সিঁহতৰ মূৰত আঙুলিৰে শিং দেখুৱাওক), ইত্যাদি।
- এটা ডাঙৰ ল’ৰাক নোহৰ ভাও দি, জাহাজত জন্তুৰ জাক ভৰাওক। জন্তুবোৰ দুটাকৈ আহক। নোহে কওক, “খৰ কৰা ! এক জলপ্লাবন আহিব কাৰণে ডাঙৰ নাৱত সোমোৱা !”
- জাহাজত যোৰ যোৰকৈ সোমাওঁতে, সিঁহতক হাত পাৰি বা আঁঠুৰে অথবা জপিয়াই যাবলৈ দিয়ক। আৰু সিঁহতে বুজোৱা জন্তুৰ মাত / শব্দ কৰিবলৈ দিয়ক। হাতীৰ ভাও কোনো জনে দিয়ক।

নাটকত কৰা জন্তুৰ ছবি ল’ৰা-ছোৱালীক আঁকিবলৈ দিয়ক। ডাঙৰ ল’ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক। (নমুনা ছবিবিলাক তলত চাওক।)

কাহিনীটোৰ বিষয়ে ১ম খণ্ড দিয়া প্ৰশ্নবোৰ ল’ৰা-ছোৱালীক সোধক।

- নোহৰ কাহিনীটো আৰু জন্তুবোৰ বয়সীয়া সকলৰ আগত পৰিবেশন কৰিলে, কি জন্তু হয় সোধক। আৰু, আন কিছুমান প্ৰশ্নবোৰ ল’ৰা-ছোৱালীয়ে বয়সীয়া সকলক কৰক।

  পানীত এখন জাহাজৰ ছবি ল’ৰা ছোৱালীক আঁকিবলৈ দিয়ক।

- যীচু খ্ৰীষ্টৰ দ্বাৰাই আমি বিশ্বাসী সকলক আমাৰ পাপৰ পৰা ঈশ্বৰে কিদৰে ৰক্ষা কৰে, সেই কথা জাহাজখনে কেনেকৈ ব্যাখা কৰে ল’ৰা ছোৱালীক সোধক। যীচু কেনেদৰে জাহাজখনৰ দৰে হয়?

নোহৰ জাহাজ সম্পৰ্কে এটি ছুটি পদ্য অথবা গীত লিখক। সিঁহতে লিখাবোৰ ঘৰত মাক-দেউতাকক ক’বলৈ বা গাবলৈ আৰু উপাসনাৰ সময়ত বয়সীয়া সকলৰ আগত ক’বলৈ বা গাবলৈ দিয়ক।

ল’ৰা ছোৱালীয়ে আঁকিব পৰা তলত দিয়া জন্তুবোৰ দেখুওৱাক। সিঁহতে এই জন্তুবোৰ অথবা অন্য জন্তুৰ ছবি আঁকিব পাৰে।



**পদ্য** ঃ গীতমালা ৩২ঃ১, ৩, ৫ আৰু ৭ পদকেইটা চাৰিটা ল’ৰা ছোৱালীক আওঁৰাবলৈ দিয়ক ঃ

“যাৰ অপৰাধ ক্ষমা কৰা হয়, যাৰ পাপ ঢকা হয়, সেইজন ধন্য।”

“মই যেতিয়া পাপ স্বীকাৰ নকৰি মনে মনে আছিলোঁ, তেতিয়া ওৰে দিনটো কেঁকাই থকাত মোৰ অস্থিবোৰ ক্ষয় পাইছিল।

“মই তোমাৰ আগত মোৰ পাপ সৈ কাঢ়িলোঁ, মোৰ অপৰাধ মোৰ পৰা লুকুৱাই নাৰাখিলোঁ; মই কলোঁ যিহোৱাৰ আগত মোৰ অপৰাধ সৈ কাঢ়িম; তাতে পাপত পৰা মোৰ দোষ তুমি ক্ষমা কৰিলো।

“তুমি মোৰ গুপ্ত স্থান; তুমি মোক সঙ্কটৰ পৰা উদ্ধাৰ কৰোঁতো;

মুক্তিৰ জয়ধ্বনিৰে তুমি মোক আবৰি ৰাখোঁতা”।

**মুখস্থ কৰক** ঃ পাঁচনিৰ কৰ্ম্ম ২ঃ৩৮।

ডাঙৰ ল'ৰা ছোৱালীক এটি ছুটি গল্প লিখিবলৈ দিয়ক।

- এটি ল'ৰাৰ বিষয়ে লিখক যাৰ বেয়া বন্ধুবোৰে লগত সিঁহতৰ এখন দোকানৰ পৰা বস্তু চুৰ কৰিবলৈ তাক নিবলৈ চেষ্টা কৰক। সি অমান্তি হয়। সিঁহতে তাক খং কৰে আৰু বেয়া নামেৰে মাতে।
- সিঁহত দোকানলৈ যায় আৰু পুলিচৰ হাতত ধৰা পৰে আৰু সিঁহতক বন্দীশালত থয়।
- প্ৰথম ল'ৰাটোৱে সিঁহতক পৰিদৰ্শন কৰে আৰু সিঁহতক আহাৰ দিয়ে।

ল'ৰা-ছোৱালীক সবিশেষ দি গল্পটো শেষ কৰিবলৈ দিয়ক। পাপক কিদৰে শাস্তি দিব, কিন্তু ঈশ্বৰৰ শাস্তিৰ পৰা যীচুৱে আমাক ৰক্ষা কৰিব পাৰে - কাহিনীটোৱে এই বিষয়ে বৰ্ণনা কৰা উচিত অথবা এক উদাহৰণ হোৱা প্ৰয়োজন।

**প্ৰাৰ্থনা ঃ** "হে পিতৃ, আমি আপোনাৰ প্ৰশংসা কৰোঁ, কাৰণ আপুনি আমাক ঈশ্বৰৰ শাস্তিৰ পৰা এক নিৰাপদ আশ্ৰয় দিলে, যিদৰে আপুনি নোহ, তেওঁৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালীৰ নিমিত্তে কৰিছিল, যীচুৰ নামত, আমেন।"।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net